যেতিয়া একচেটিয়া ব্যৱসায় প্ৰতিষ্ঠানে উৎপাদন কৰা দ্ৰব্য বা সেৱা বিধৰ সম্পূৰ্ণ অভিন্ন, বিভিন্ন গোট ক্ৰেতাভেদে বিভিন্ন দৰত বিক্ৰী কৰে তেতিয়া তাক দৰ বিভেদীকৰণ (Price discrimination) বা দৰ পাৰ্থক্যকৰণ বোলে।

দৰ বিভেদীকৰণ তিনি প্ৰকাৰৰ—

Scanned with CamScanner

(i) ব্যক্তিগত দৰ বিভেদীকৰণ (Personal dicrimination)

(ii) স্থানগত দৰ বিভেদীকৰণ (Local discrimination)

(iii) ব্যৱহাৰগত দৰ বিভেদীকৰণ (Use discrimination)

**(i) ব্যক্তিগত দৰ বিভেদীকৰণ**

ক্ৰেতাৰ আয়ৰ ভিন্নতাৰ ওপৰত ভিত্তি কৰি একচেটিয়া ব্যৱসায়ীয়ে একে দ্ৰব্য বা সেৱামূলক কাৰ্যৰ বাবে বিভিন্ন ব্যক্তিৰ পৰা বিভিন্ন দৰ আদায় কৰে, তেতিয়া ইয়াক ব্যক্তিগত দৰ বিভেদীকৰণ বুলি কোৱা হয়। উদাহৰণস্বৰূপে, চিকিৎসকে দুখীয়া ৰোগীৰ পৰা কম আৰু ধনী ৰোগীৰ পৰা বেছি ফিজ ল'ব পাৰে।

**(ii) স্থানগত দৰ বিভেদীকৰণ**

যেতিয়া একচেটিয়া ব্যৱসায়ীয়ে একে দ্ৰব্যৰ বাবে ঠাই ভেদে ভিন ভিন দৰ বিচাৰে, তেতিয়া তাক স্থানগত দৰ বিভেদীকৰণ বোলা হয়। উদাহৰণস্বৰূপে, অভিজাত শ্ৰেণীয়ে চহৰ অঞ্চলত বেছি দামত ক্ৰয় কৰা দ্ৰব্যবিধ গ্ৰাম্যাঞ্চলত কম দামতে পোৱা যায়।

**(iii) ব্যৱহাৰগত দৰ বিভেদীকৰণ**

যেতিয়া একচেটিয়া ব্যৱসায়ীয়ে ভিন ভিন ব্যৱহাৰৰ বাবে একেবিধ দ্ৰব্যকে ভিন ভিন দৰত বিক্ৰী কৰে তেতিয়া তাক ব্যৱহাৰগত দৰ বিভেদীকৰণ বোলা হয়। উদাহৰণস্বৰূপে, ঔদ্যোগিক ব্যৱহাৰত ঘৰুৱা ব্যৱহাৰতকৈ কম দামত বিদ্যুৎ যোগান ধৰা প্ৰভৃতি এই শ্ৰেণী দৰ বিভেদীকৰণৰ অন্তৰ্ভুক্ত।

একচেটিয়া ব্যৱসায়ীয়ে দেশৰ বজাৰতকৈ বিদেশী বজাৰত কম দামতে দ্ৰব্য বিক্ৰী কৰিব পাৰে। ইয়াক Dumping বুলি কোৱা হয়।

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত দৰ বিভেদীকৰণ অসম্ভৱ। কিয়নো

Scanned with CamScan

এই বজাৰ গাঁথনিত কোনো বিক্ৰেতাই অধিক দাম বিচাৰিলে ক্ৰেতাসকলে অন্য বিক্ৰেতাৰ ওচৰলৈ যোৱাৰ সুবিধা থাকে। গতিকে একচেটিয়া ব্যৱসায় আৰু অপূৰ্ণ প্ৰতিযোগী বজাৰতহে দৰ বিভেদীকৰণ সম্ভৱ হ'ব পাৰে। এই দুয়োবিধ বজাৰ গাঁথনিত দৰ বিভেদীকৰণ কৰিবলৈ হ'লে তলত উল্লেখ কৰা চৰ্ত পূৰণ কৰিব লাগিব। দৰ বিভেদীকৰণ হ'বলৈ দ্ৰব্যটোক পুনৰ বিক্ৰী কৰাৰ (resale) কোনো সুবিধা থাকিব নালাগিব। ভোক্তাই দ্ৰব্যবিধ কম দামত কিনি বেছি দামত বিক্ৰী কৰাৰ সুবিধা থাকিলে দৰ বিভেদীকৰণ সম্ভৱ হৈ নুঠিব।

ক্ৰেতাই বজাৰৰ বিভিন্ন খণ্ডত প্ৰচলিত দামৰ বিষয়ে অৱগত নহ'লে একচেটিয়া বিক্ৰেতাই দুখন বজাৰত দুটা ভিন্ন দৰ প্ৰয়োগ কৰিবলৈ সক্ষম হয়।

দ্ৰব্য বা সেৱামূলক কাৰ্যৰ প্ৰকৃতিৰ ওপৰতো দৰ বিভেদীকৰণৰ সম্ভাৱনা নিৰ্ভৰ কৰে। ব্যক্তিগত প্ৰত্যক্ষ সেৱামূলক দ্ৰব্যৰ (direct service) ক্ষেত্ৰত দৰ বিভেদীকৰণ সম্ভৱ হ'ব পাৰে। যেনে— চিকিৎসা সেৱা, ব্যৱসায় প্ৰতিষ্ঠানে কেতিয়াবা একেবিধ দ্ৰব্যকে ভিন ভিন প্ৰতিপন্ন কৰি গ্ৰাহকৰ পৰা পৃথক পৃথক দৰ আদায় কৰা দেখা যায়। দুখন বজাৰৰ মাজত অধিক দূৰত্ব থাকিলেও বিক্ৰেতাই দুয়োখন বজাৰত দ্ৰব্যটি ভিন ভিন দৰত বিক্ৰী কৰিব পাৰে। •

Scanned with CamScan